# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 06-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম শক্তিশালী হ'লে দেশৰ ভেঁটি শক্তিশালী হ'ব। ডিব্ৰুগড়ৰ চৌকিডিঙীত থকা ছাউথ জালান চাহ বাগিচাত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ স্থায়ী কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰীসোণোৱালে কয়, যে ৫০ বছৰ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় প্ৰেছ ক্লাবে অচিৰেই এটা স্থায়ী ঠিকনা লাভ কৰিব। ডিব্ৰুগড়ৰ পৰা গুণগত সংবাদ সেৱাৰ প্ৰসাৰেৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ভেঁটি সুদৃঢ় কৰাত সৰল ভূমিকা পালন কৰি অহা সাংবাদিকসকলক তেওঁ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে সাংবাদিকসকলে নিষ্ঠাৰে সংবাদসেৱা আগবঢ়াই যাব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়, যে ডিব্ৰুগড় প্ৰেছ ক্লাবে ৫০ বছৰৰ পাছত এটা অত্যাধুনিক ভৱন লাভ কৰিব আৰু ভৱনটো নিৰ্মাণৰ কাম সময়মতে সম্পন্ন হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ প্ৰশান্ত ফুকন, ৰামেশ্বৰ তেলী, বিধায়ক বিনোদ হাজৰিকা আৰু চক্ৰধৰ গগৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ তথা চাহ বাগিচাখনৰ স্বত্বাধিকাৰীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooo

বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী বুলি ঘোষিত কাছাৰৰ এগৰাকী মহিলাই নাগৰিকত্ব সংশোধনী আইন চমুকৈ **কা**ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে। ৬০ বছৰীয়া দীপালি দাস নামৰ এইগৰাকী মহিলাই জিলাখনৰ ধলাইত বাস কৰি আহিছিল যদিও ২০১৯ চনৰ মে' মাহত তেওঁক গ্ৰেপ্তাৰ কৰি শিলচৰৰ ডিটেনশ্বন শিবিৰত বন্দী কৰি ৰখা হৈছিল। ২০২১ চনত মহিলাগৰাকীয়ে শিবিৰৰ পৰা মুক্তি লাভ কৰিছিল আৰু তেওঁ ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহত **কা**ৰ অধীনত নাগৰিকত্ব লাভৰ বাবে আবেদন দাখিল কৰিছিল। ১৯৮৮ চনত ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ এই মহিলাগৰাকীয়ে ২০১৪ চনৰ পূৰ্বে বাংলাদেশৰ চিলেট অঞ্চলৰ পৰা ভাৰতত প্ৰৱেশ কৰা বুলি নথি-পত্ৰ দাখিল কৰাৰ পাছতে তেওঁ আজি ভাৰতীয় নাগৰিকত্ব লাভ কৰিবলৈ সমৰ্থ হয়।

oooooo

চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি ২০২৫-২৬ বৰ্ষত বিভিন্ন শিতানত জলপানি প্ৰদান কৰা হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানতে চাহ জনজাতিৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ বাবেও শ্বহীদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনিৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লৈ চাহ জনজাতি আৰু আদিবাসী

কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই এই আঁচনিসমূহৰ জৰিয়তে জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০

চৰাইদেউ জিলাৰ সোণাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত লংপতীয়া ৰে'লৰে ষ্টেচনটো আজিৰ পৰা পুনৰ সক্ৰিয় হৈ উঠিছে। সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে আজি লিডু-ৰঙিয়া এক্সপ্ৰেছ ৰে'লগাড়ীখন লংপতীয়া ষ্টেচনত ৰখোৱাৰ বাবে পতাকা জোকাৰি শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে, কোভিডৰ সময়ৰপৰাই এই ষ্টেচনটো নিষ্ক্ৰিয় হৈ আছিল আৰু অঞ্চলটোৰ ৰাইজে ইয়াক সক্ৰিয় কৰি তুলিবলৈ দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছিল। ষ্টেচনটো পুনৰ কাৰ্যক্ষম হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী, ক্ষুদ্ৰ ব্যৱসায়ী আৰু চৰকাৰী, বে-চৰকাৰী কৰ্মচাৰীসকল বিশেষভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়লৈ খেলপথাৰ উন্নীতকৰণৰ বাবে আজি চৰকাৰে ৫ লাখ টকাৰ অনুমোদন দিয়ে। ইয়াৰ লগতে পাঠশালা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ বিজ্ঞান ভৱন উন্নীতকৰণৰ বাবেও ৫ লাখ টকাৰ চেক্ প্ৰদান কৰা হয়। বিশ্ববিদ্যালয়খনৰ সভাকক্ষত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই চেক্ প্ৰদান কৰে। তেওঁ কয়, যে দুয়োখন শিক্ষা প্ৰতিষ্ঠানলৈ ধন আগবঢ়াবলৈ পাই তেওঁ সুখী অনুভৱ কৰিছে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° ধনপতি ডেকাৰ লগতে অধ্যাপক-অধ্যাপিকা, শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য আৰু অন্যান্য আচাৰ্যসকলো উপস্থিত থাকে।

০০০০০০

কৰ্মক্ষেত্ৰত মহিলাসকলৰ বাবে নিৰাপদ আৰু সন্মানজনক পৰিৱেশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে আজি শ্ৰীভূমি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন জিলা স্তৰৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কৰ্মক্ষেত্ৰত মহিলাসকলক যৌন হাৰাশাস্তি প্ৰতিৰোধ সম্পৰ্কীয় আইন আৰু তাৰ কাৰ্যকৰীতাৰ বাস্তৱ ৰূপায়ণ সন্দৰ্ভত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ সহকাৰী আয়ুক্ত অন্বেষা খেৰচাৰ উপস্থিত থাকে। কৰ্মক্ষেত্ৰত মহিলাসকলক যৌন হাৰাশাস্তি প্ৰতিৰোধ আইন, ২০১৩ৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। প্ৰশিক্ষণত অংশগ্ৰহণকাৰীসকলক এই আইনখনৰ উদ্দেশ্য, প্ৰযোজ্য বিধান, অভিযোগ গ্ৰহণ প্ৰক্ৰিয়া আৰু অভিযোগ নিষ্পত্তিৰ প্ৰক্ৰিয়াসমূহ সন্দৰ্ভত বিতংভাৱে অৱগত কৰোৱা হয়।

০০০০০০

**সমাপ্ত**